**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-08-2025
**Time :** 21-25  Hrs

## ASSAMESE NIGHT BULLETIN

**:::::::::::::::::::::::::::**

বিটিচি নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পৰিষদৰ অন্তৰ্গত অঞ্চলসমূহত বিজেপিৰ সাংগঠনিক ভেটি সবল কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বাক্সা জিলাৰ বাদুলীপাৰা আৰু দিহিৰাত বিজয় সংকল্প সভাত অংশ লয়। ড° শৰ্মাই বি টি আৰত বিগত চাৰি বছৰত শান্তি-সম্প্ৰীতি বিৰাজ কৰিছে বুলি উল্লেখ কৰি অঞ্চলটোত বিজেপি চৰকাৰ গঠন হ'লে সকলো নাগৰিককে প্ৰথম শ্ৰেণীৰ নাগৰিক হিচাপে গঢ়ি তোলা হ'ব বুলি উল্লেখ কৰে। এই সভাত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, বিধায়ক ফণীধৰ তালুকদাৰকে ধৰি বিজেপিৰ কেইবাগৰাকী দলীয় নেতাই অংশগ্ৰহণ কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি বাক্সা জিলাৰ ভলুকামুৰীত এখন পকী দলং উদ্বোধন কৰে। ডেকাদং নৈৰ ওপৰত নিৰ্মাণ কৰা ভলুকামুৰী আৰু জৰাবাৰী সংযোগী এই নৱনিৰ্মিত দলংখনে জিলাখনৰ যাতায়াত ব্যৱস্থা উন্নয়নৰ দিশত বিশেষ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। দলং উদ্বোধনী কাৰ্যসূচীত মুখ্যমন্ত্ৰীগৰাকীক বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম আৰু পাৰিষদ মণ্টু বৰুৱাই সংগ দিয়ে।

০০০০

ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে ধেমাজিতো টাই আহোম ছাত্ৰ সন্থাই আহোমসকলক শীঘ্ৰেই জনজাতিকৰণ, খিলঞ্জীয়াৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰা আৰু অবৈধ দখলকাৰীক উচ্ছেদৰ দাবীত জোৰ সমদলেৰে প্ৰতিবাদ সাব্যস্ত কৰে। ধেমাজিৰ চাৰিআলিত ৰূপায়ণ কৰা এই প্ৰতিবাদ কাৰ্যসূচীত দুই শতাধিক প্ৰতিবাদকাৰীয়ে পৰিবেশ উত্তাল কৰি তোলে।

ডিব্ৰুগড়তো জনজাতিকৰণৰ দাবীত টাই আহোম ছাত্ৰ সন্থাই আজি সন্ধিয়া জোৰ লৈ প্ৰতিবাদ সাব্যস্ত কৰে। ডিব্ৰুগড়ৰ পুৰণি চৰকাৰী হাইস্কুলৰ খেলপথাৰৰ পৰা আটাছুৰে সমদল উলিয়াই জনজাতিকৰণৰ লগতে স্বায়ত্ত শাসনৰ বাবেও দাবী উত্থাপন কৰে। জোৰ সমদলৰ কাৰ্যসূচীত ডিব্ৰুগড় আৰক্ষীয়ে বাধা দিয়াৰ ফলস্বৰূপে খণ্ডযুদ্ধৰ সৃষ্টি হয়।

শিৱসাগৰতো ঐতিহাসিক শিৱদৌলৰ সন্মুখৰ পৰা সদৌ অসম টাই আহোম ছাত্ৰ সন্থাৰ জনজাতিকৰণ, অবৈধ দখলকাৰীক উচ্ছেদ আৰু খিলঞ্জীয়াক ভূমি পট্টা প্ৰদানৰ দাবীত জোৰ সমদল উলিয়াই প্ৰতিবাদ সাব্যস্ত কৰে। চৰকাৰবিৰোধী শ্লোগানেৰে শিৱসাগৰ নগৰ উত্তাল কৰা প্ৰতিবাদকাৰীসকলৰ সমদলত আৰক্ষীয়ে বাধা প্ৰদান কৰে। বিধানসভা নিৰ্বাচনৰ পূৰ্বে চৰকাৰে ৬ জনগোষ্ঠীৰ জনজাতিকৰণ বিষয়টোত গুৰুত্ব প্ৰদান নকৰিলে আহোম সম্প্ৰদায়ৰ লোকসকলে সময়ত ইয়াৰ উচিত প্ৰত্যুত্তৰ দিব বুলি সদৌ টাই আহোম ছাত্ৰ সন্থাই হুংকাৰ দিয়ে।

০০০০

ওদালগুৰি জিলাৰ ভেৰগাঁৱত আজি বি পি এফ দলৰ আশীৰ্বাদ যাত্ৰাত দলৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে বিশাল ৰেলীত অংশগ্ৰহণ কৰে। তেওঁ কয় যে আঞ্চলিক দলসমূহে একেলগে বিটিচি চৰকাৰ গঠন কৰিব লাগে বুলি তেওঁ অনুৰোধ কৰাৰ সময়ত কোনো দলে সৈমান হোৱা নাছিল। এতিয়া বিজেপিৰ লগত ইউ পি পি এলৰ সম্পৰ্ক বেয়া হোৱাৰ বাবে বি পি এফক প্ৰয়োজন হৈছে বুলি বি পি এফ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে প্ৰকাশ কৰে। ৰেলীত উপস্থিত থকা দলীয় সমৰ্থকক উদ্দেশ্যি তেওঁ আৰু কয় যে এবছু এটা মাত্ৰ ছাত্ৰ সংগঠনহে আৰু বি পি এফৰ নিচিনা ৰাজনৈতিক দল এটাৰ দিক্ নিৰ্ণয় কৰাৰ অধিকাৰ এবছুৰ নাই।

০০০০

ৰাজ্য চৰকাৰৰ উদ্যোগত আৰু কামৰূপ জিলা শিক্ষা বিভাগৰ সহযোগত আজি আৰোহণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। **কামৰূপ** জিলাৰ অতিৰিক্ত আয়ুক্ত সুজাতা গগৈয়ে এই শিক্ষামূলক আৰোহণ কাৰ্যসূচী মুকলি কৰে। জিলাখনৰ ২৬৯ খন বিদ্যালয়ৰ ২৬৯ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই জ্ঞান অন্বেষণ যাত্ৰাত সামৰি লোৱা হৈছে। আজিৰেপৰা অহা ১৩ আগষ্টলৈ আৰোহণ কাৰ্যসূচীৰ অধীনত আই আই টি গুৱাহাটী, এইম্চ গুৱাহাটী, বায়'টেক উদ্যান, শংকৰদেৱ কলাক্ষেত্ৰ, অসম ৰাজ্যিক চিৰিয়াখানা, গুৱাহাটী বিজ্ঞান গৱেষণা কেন্দ্ৰকে ধৰি বিভিন্ন স্থানত জ্ঞান অন্বেষণৰ সুযোগ প্ৰদান কৰা হ'ব।

**হোজাই** জিলাৰ পৰাও আজি আৰোহণ আঁচনিৰ অধীনত জিলাখনৰ বিদ্যালয়সমূহৰ পৰা বাচি উলিওৱা ৬৬ গৰাকী শিক্ষাৰ্থী চাৰিদিনীয়া শিক্ষামূলক ভ্ৰমণৰ বাবে গুৱাহাটীলৈ আহিছে।

০০০০

প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে আজি গুৱাহাটীৰ ৰাজীৱ ভৱনত একাধিক কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ২০২৬ চনত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে ৰণকৌশল প্ৰস্তুত কৰাৰ উদ্দেশ্যে আজি কেইবাখনো গুৰুত্বপূৰ্ণ সভা ৰাজীৱ ভৱনত অনুষ্ঠিত হয়। বি টি আৰৰ পৰিষদীয় নিৰ্বাচনৰ বাবেও প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে দলে নিৰ্ধাৰণ কৰি দিয়া বি টি আৰৰ পৰ্যবেক্ষকসকলৰ সৈতে এখন আলোচনাত মিলিত হয়। ইয়াৰ পূৰ্বে শ্ৰীগগৈয়ে মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰৰ সভাপতিত্বত সমাগত নিৰ্বাচনত মহিলা শক্তিক উজ্জীৱিত কৰাৰ উদ্দেশ্যে অনুষ্ঠিত হোৱা এখন গুৰুত্বপূৰ্ণ সভাত অংশগ্ৰহণ কৰে। কংগ্ৰেছৰ নিৰ্বাচনী পৰ্যবেক্ষক ৰিপুণ বৰাৰ পৰিচালনাত অনুষ্ঠিত আন এখন সভাত ভাষণ দি গৌৰৱ গগৈয়ে, নিখিল ভাৰত কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীয়ে নিৰ্বাচন আয়োগৰ ভোট চুৰি সন্দৰ্ভত যিবোৰ তথ্য প্ৰকাশ কৰিছে সেইসমূহ ৰাইজৰ ওচৰলৈ লৈ যাবলৈ দলীয় কৰ্মীসকলক পৰামৰ্শ আগবঢ়ায়।

০০০০

নলবাৰী জিলাৰ বৰতলা গাঁও নিবাসী সৰবৰাহী মহিলা কামিনী কলিতাৰ যোৱা নিশা নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯৬ বছৰ।

০০০০

ঃঃ সমাপ্ত ঃঃ